# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 14-11-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - -**

আজি শিশু দিৱস উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তৰ উপৰি অসমৰ বিদ্যালয়সমূহত শিশুসকলৰ মাজত ভালেমান কাৰ্যসূচী অনুষ্ঠিত হয়। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিশু দিৱস উপলক্ষে শিশুসকলক শুভেচ্ছা জনাইছে। ৰাজ্যৰ বিভিন্ন জিলাত শিশু দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। শিৱসাগৰ নগৰত আজি কেন্দ্ৰীয়ভাৱে আয়োজিত দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে টাই-আহোম সাংস্কৃতিক বিকাশ মঞ্চৰ মুকলি পথাৰত ৰাজ্যিক ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। তিনিচুকীয়া জিলাৰ বিভিন্ন ঠাইত আজি শিশু দিৱস উদযাপন কৰা হয়। জিলাখনৰ আয়ুক্ত স্বপনীল পালে আজি বৰহাপজান আৰু মাকুমত এখন বিদ্যালয় আৰু শিশুগৃহত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰী, আৱাসী তথা শিক্ষকসকলৰ সৈতে মত বিনিময় কৰে।

গোৱালপাৰা জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত আজি শিশু দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপৰি অসম বুক অব্ ৰেকৰ্ডছৰ ব্যৱস্থাপনাত অভিলেখ গঢ়াৰ লক্ষ্যৰে আজিৰে গোৱালপাৰা মহাবিদ্যালয় খেলপথাৰত ১৫৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ১৫০ ফুট দৈৰ্ঘ্যৰ চিত্ৰপটত অসমৰ লোকবাদ্য আৰু লোকনৃত্যক চিত্ৰায়িত কৰাৰ প্ৰয়াস কৰা হয়।

ooooo

বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীয়ে অসম সাহিত্য সভাৰ সভাপতি পদৰ প্ৰাৰ্থী তালিকাৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। আজি এই সন্দৰ্ভত সাহিত্যিকগৰাকীয়ে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মালৈ প্ৰেৰণ কৰা এখন পত্ৰত কয়, যে সভাপতি পদৰ বাবে প্ৰস্তাৱিত আন চাৰিওগৰাকী প্ৰাৰ্থীৰ যিকোনো এগৰাকীক সৰ্বসন্মতিক্ৰমে মনোনীত কৰিলে তেওঁ সুখী হ'ব বুলি সাহিত্যিকগৰাকীয়ে উল্লেখ কৰে। আকাশবাণীৰ বিশেষ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীমতী শৰ্মা পূজাৰীয়ে এইদৰে কয়-

**বাইট (অনুৰাধা শৰ্মা পূজাৰী)**

উল্লেখযোগ্য যে কালি সভাপতি পদৰ বাবে ঘোষিত আন এগৰাকী প্ৰাৰ্থী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড০ ভীমকান্ত বৰুৱাইও সভাপতি পদৰ নিৰ্বাচনী দৌৰত, তেওঁ নাই বুলি প্ৰকাশ কৰিছিল।

ooooo

ৰামধেনু যুগৰ এগৰাকী বিশিষ্ট গল্পলেখক নিত্যানন্দ তামূলীৰ কালি গুৱাহাটীৰ ছয়মাইলৰ নিজ বাসভৱনত দেহাৱসান হয়। ১৯৫৭ চনত গোলাঘাটৰ ঢেকীয়াল হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষা উত্তীৰ্ণ হৈ কটন কলেজ আৰু বি বৰুৱা মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। পৰৱৰ্তী সময়ত গুৱাহাটীৰ পৰা প্ৰকাশিত নীলাচল আৰু সাপ্তাহিক নীলাচলৰ সম্পাদনা বিভাগত তেওঁ কাৰ্যনিৰ্বাহ কৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ভাষা সাহিত্য সম্পৰ্কীয় বিভিন্ন অনুষ্ঠানত অংশ লোৱা তামূলীয়ে কেইবাখনো নাট ৰচনাৰে নাট্যকাৰ হিচাপেও পৰিচিতি লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিভাগীয় সচিবৰূপে কাৰ্যভাৰ গ্ৰহণ কৰি ২০০২ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ।

ooooo

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি শিৱসাগৰ জিলাৰ ডিমৌৰ দিহাজানত অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ ৫ হাজাৰ বৰ্গফুটৰ এটা ধান ক্ৰয় কেন্দ্ৰ উদ্বোধন কৰে। এই ধান ক্ৰয় কেন্দ্ৰটোৰ জৰিয়তে বৃহত্তৰ ডিমৌ অঞ্চলৰ লগতে ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ কৃষকে ন্যূনতম সমৰ্থিত মূল্যত ধান বিক্ৰী কৰিব পাৰিব। এই উপলক্ষে আয়োজিত সভাত মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ তথা বৰ্তমানৰ ৰাজ্য চৰকাৰে কৃষকৰ আয় দুগুণৰ বাবে বৃদ্ধি কৰিবলৈ লোৱা সক্ৰিয় পদক্ষেপসমূহৰ বিষয়ে ব্যাখ্যা কৰে। আনহাতে মন্ত্ৰী শ্ৰীদাসে শিৱসাগৰ জিলাৰ ডিমৌ সমজিলাৰ শুকানপুখুৰী গাঁৱতো এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি ধান বনা কল উদ্বোধন কৰে। এই অনুষ্ঠানত বিধায়ক সুশান্ত বৰগোঁহাই, ডিমৌ সমজিলাৰ আয়ুক্তকে ধৰি বিভাগীয় বিষয়াসকল উপস্থিত আছিল।

ooooo

সমাপ্ত